পিছদিনা পুৱাৰ ভাগতে আমি ৰামেশ্বৰম্‌লৈ গলোঁ। ইয়াত ৰেলৰ বাহিৰে অন্য একো যান-বাহন নাই। প্ৰায়বোৰ মাছমৰীয়া অশিক্ষিত মানুহৰ বসতি স্থান এই ৰামেশ্বৰম্‌। ইয়াত থকা বিৰাট মন্দিৰটোৰ বাহিৰে আমি এই কম সময়ৰ ভিতৰত হ'লে তাত একো উল্লেখযোগ্য বস্তু দেখিবলৈ নেপালো। মন্দিৰৰ প্ৰাঙ্গনতে বিৰাট বজাৰ। বজাৰখন নানা তৰহৰ শামুকেৰে সজা বস্তুৰে ভৰপূৰ। সাগৰৰ শামুক ধৰি সেইবোৰৰ জৰিয়তে সুন্দৰ সুন্দৰ বস্তু সাজি ইয়াৰ বহুতো মানুহে জীৱিকা উলিয়ায়।

ৰামেশ্বৰম্‌ৰ সাগৰৰ পাৰত আমি বিভিন্ন ধৰণৰ সাগৰীয় মাছ সংগ্ৰহ কৰিলোঁ। সেইবোৰৰ ভিতৰত 'ৰেজৰ ফিছ', 'গ্লব ফিছ' 'ষ্টিং ৰে' আদি মাছেই প্ৰধান। বহুতো মাছ আমি এটা ডাঙৰ পিঙত 'ফৰমেলিন'ৰ সহায়ত ৰাখি লৈ আহিলোঁ।

ৰামেশ্বৰম্‌ আৰু পাম্‌বামৰ মাজৰ দূৰত্ব পাঁচ মাইল। পাম্‌বাম পাওঁতে বেলি আছিল আমাৰ মূৰৰ ওপৰত। পাম্‌বাম আৰু ৰামেশ্বৰম্‌ত আমি দুদিন কটালোঁ। ঠাইডোখৰ বেয়া লাগিল বিশেষকৈ এটা কথাত। সেয়ে হৈছে— ইয়াত দিনে-ৰাতিয়ে মাখিৰ অবাধ বিচৰণ। ইয়াৰ মানুহবোৰ এই বিষয়ে সজাগ নহয় বুলিয়েই ধাৰণা হ'ল।

সেইদিনা দুপৰীয়া ১ বজাত মাদ্ৰাজ অভিমুখী ৰেল ধৰাৰ সুবিধাৰ্থে আমি ত্ৰিচিনপল্লী অভিমুখে ওলোটা যাত্ৰা আৰম্ভ কৰিলোঁ। আমাৰ কলেজৰে উদ্ভিদবিদ্যা বিভাগৰ দলটোও আমাৰ লগতে বোম্বাইৰ পৰা আহিছিল। সেইবাবে ভাল লাগিছিল।

ত্ৰিচিনপল্লী পাওঁতে ঘড়ীয়ে আঠ বজাৰ সঙ্কেত দিছিল। মাদ্ৰাজলৈ যোৱাৰ দিনাও ৰিজাৰ্ভেশ্যনৰ অভাৱত আমাৰ বাৰুকৈয়ে লটি-ঘটি হ'ল। শ্ৰান্ত-দেহা আৰু আশাৰে ভৰা মন লৈ আমি পিছদিনা পুৱাই মাদ্ৰাজ পালোঁহি। কিন্তু, বিশেষ অসুবিধা বশতঃ তাত মাথোন এঘণ্টা মানহে থাকিব পাৰিলোঁ। পুনৰ আমি উঠি পৰিলো কলিকতা অভিমুখী ট্ৰেইনত। কিন্তু আক্ষেপ থাকি গ'ল মাদ্ৰাজ মহানগৰী তথা ইয়াৰ সাগৰ-তীৰ নোচোৱাৰ বাবে!

মাদ্ৰাজৰ পৰা আহি কলিকতা পাওঁতে দুদিন লাগিল। বিহুগীত, গুজাপালি আদিৰ ধ্বনিৰে গোটেই ডবা মুখৰিত হৈ আহিছিল সেই দুদিন। মনবোৰো লাহে লাহে ঘৰমুৱা হোৱাৰ আনন্দই প্ৰফুল্লিত কৰি তুলিছিল। বেয়া লাগিছিল দুৰ্ভিক্ষপীড়িত কঙ্কালসাৰ-মানুহে এখন ৰুটিৰ বাবে বাটত কুকুৰৰ দৰে কাজিয়া কৰা দেখি। ভাৰতবৰ্ষৰ এই অৱস্থা সঁচাকৈ পৃতৌ লগা!

কলিকতাত আমাৰ 'আসাম হাউচ'ত থকাৰ ঠিক হ'ল। ইয়াৰ আহাৰ খাই ঘৰত খোৱা যেনেই লাগিল।

পিছদিনাই আমি কলিকতা চফৰ আৰম্ভ কৰিলোঁ। প্ৰথমেই গ'লো ইয়াৰ বিখ্যাত চিৰিয়াখানা চাবলৈ। ইয়াত থকা বগা বাঘ হাঁহ-জাতীয় জলচৰ প্ৰাণীবোৰ আৰু জলহস্তীৰ (Hippopotemous) সমাবেশ আকৰ্ষণীয় বস্তু। কলিকতাৰ চিৰিয়াখানাত চিম্পাঞ্জী দেখি ভাল লাগিল। চিম্পাঞ্জী মহীশূৰৰ চিৰিয়াখানাতো আছে। কিন্তু আমাৰ চোৱা হোৱা নাছিল। চিৰিয়াখানাৰ পিছত আমি "ভিক্টোৰিয়া মেমৰিয়েল"

হল চালোগৈ। সন্ধিয়া বিৰলা প্লেনেটৰীয়াম চাবলৈ গলো।


পিছদিনাই আমি কলিকতাৰ ভাৰত বিখ্যাত যাদুঘৰটো চাবলৈ গলোঁ। কলিকতাৰ যাদুঘৰৰ বিভিন্ন বিভাগত অসংখ্য বস্তু আছে। প্ৰাণী বিভাগটো বহুতো দেশী, বিদেশী বিভিন্ন চৰাই সাগৰীয় সিন্ধুঘোটকৰ দৰে কেইবিধমান প্ৰাণী; টাপিৰ জাতীয় দুষ্প্ৰাপ্য জীৱ ইয়াত মৃত অৱস্থাত সংৰক্ষণ কৰা হৈছে। সেইবোৰৰ সংৰক্ষণ পদ্ধতি ইমান ভাল যে জীৱন্ত যেনহে লাগে। ইয়াৰ উপৰিও এই বিভাগত বন মানুহ ( চিম্পাঞ্জী, গৰিলা আৰু ওৰাংউটাং যাক ইংৰাজীত Ape বুলি কয় ) আৰু মানুহৰ জকাঁও অধ্যয়নৰ উপযোগী কৈ ইয়াত ৰখা হৈছে। এটা সৰু তিমিমাছৰ জকাঁও ইয়াত আছে। ইয়াৰ উপৰিও দুবিধ জাতৰ ঘৰিয়াল ইয়াত ৰখা হৈছে ( Alligator আৰু Graisillidar )।


যাদুঘৰটোৰ অন্যান্য বিভাগবোৰো নানান ধৰণৰ বস্তুৰে ভৰপূৰ। হুল-স্থূলীয়া আৰু বিশৃঙ্খল কলিকতা মহানগৰীত দুদিন থাকি অসমলৈ যোৱা ৰেল ধৰাৰ বাবে আমি বাৰাউনী মুৱাহৈ যাত্ৰা আৰম্ভ কৰিলো। কলিকতাত বোম্বাইৰ দৰে নিয়মানুৱৰ্ত্তিতা নাই। তদুপৰি ইয়াৰ পৰিস্কাৰ পৰিচ্ছন্নতাও বৰ কম। কলিকতাত বাৰ মাহত তেৰটা অশান্তি হৈয়েই থাকে। আমাৰ গুৱাহাটীও বাৰু কেতিয়াবা কলিকতাৰ দৰেই হবগৈ নেকি ?

দহ তাৰিখৰ দিনা ধলপুৱাতে আমি বাৰাউনী ষ্টেচন পালোহি। সেইদিনাই পুৱা পাঁচ বজাৰ ৰেলত উঠি আমি গৃহাভিমুখে ৰাওনা হলো। ৰেলত উঠাৰ লগে লগেই ধাৰণ হ'ল যেন আমাৰ যাত্ৰাৰ শেষ হৈ আহিল। মাত্ৰত মাথোন এদিন এৰাতি তাৰ পিছতেই আমাৰ চৌব্ৰিশ দিনীয়া যাত্ৰাৰ শেষ।

পিছদিনা নিচেই পুৱাতে উপনীত হলোহি আমাৰ তেনেই চিনাকি গুৱাহাটীত। বাটে বাটে দুই এজন লগৰীয়া নামি গৈছিল তেওঁলোকৰ নিজ ঘৰলৈ যোৱাৰ উদ্দেশ্যৰে। ঘৰ পোৱাৰ আনন্দৰ লগে লগে মনটো বেজাৰেৰেও ভৰি পৰিছিল ইমান দিনৰ সহযাত্ৰীসকলৰ বিদায়ৰ বেদনাত।

আমাৰ এই যাত্ৰাৰ অন্ত পৰিল সচা ; কিন্তু তাৰ স্মৃতিৰ জানো কেতিয়াবা অন্ত পৰিব ?





# ...িক সাহিত্যত ...লতা

...ৰন ডেকা
...ার্ষিক (কলা)

...দিলে। পীতাম্বৰৰ প্ৰতি শঙ্কৰ-
...ক্ৰৰ পৰা সেই সময়ৰ সাহিত্যত
...তাৰ স্থান সম্পৰ্কে অনুমান কৰিব
... এই খিনিতেই এইটোও উল্লেখ-
...ত একেজনা মহাপুৰুষৰ দ্বাৰাই
...ব্যগীত যৌৱনৰ যি বৰ্ণনা দিয়া
...ত অবচিনিটিৰ গোন্ধ একেবাৰে
... অনন্ত কন্দলী আদিৰ ৰচিত
...পৰিণয় আদি কাব্যত হৰ পাৰ্ব্বতী-
... উষা-অনিৰুদ্ধৰ অগ্নিগড়ৰ ভিত-
...াদিতো আমি অবচিনিটিৰ গোন্ধ

...nity is to deprave and
...whose minds are open to
...nfluence, and into whose
...ation of this sort may
... certain that it would
...minds of the young eit...
...persons of more adv...
...ght of, a most imp...
...character

...প.ব..ৰ আইনৰ ভিত্তিত এ...
...। হৈছিল। কিন্তু ইয়াৰ এশ...
...ত এই আইন সংশোধিত হয়।
...bscene Publication Act ৰ
...। হয় যে—যদি কোনো সাহিত্যত
...লেও সেই সাহিত্যক দোষী

...লো সাহিত্যতেই
...আলোচনা বিলো-
...হিত্যও এই বিষয়ত
...াৰতীয় সাহিত্যতো
...না সমালোচনা হোৱা দেখা
'পৰ্নোগ্ৰাফী' আৰু 'অবচিনিটি'
ক্ৰমে 'অশ্লীল সাহিত্য' আৰু
...বলে সাধাৰণতে ব্যৱহাৰ কৰা

...ৰ আগতে ইংলণ্ডৰ প্ৰধান
...তা সম্পৰ্কে যি মান দণ্ড
...ক মানি লয়। বিচাৰক
...ত আছিল এই—
...of obscenity is this,
...y of the matter ch-

arged as
Corrupt th...
such imm...
hands a ...
fall. It i...
suggest to...
sex or ev...
ced years
and libid...

১৮৫৭ খৃঃ ...
গুৰুত্বপূৰ্ণ ...
বছৰ পিছ...
. The Eng...
ধাৰা অন...
নগ্নতা থাক...

... কবি, কবিৰাজ চক্ৰৱৰ্ত্তীৰ 'ব্ৰজ-
...ীত-গোবিন্দ" আদি কাব্যত ৰাধা
... ৰামলীলাৰ ওপৰতে বেছি গুৰুত্ব
... ৰাধা-কৃষ্ণৰ বিহাৰ আৰু ৰাস-
...ক ইন্দ্ৰিয়ানুভূতি পূৰ্ণ পৰিবেশৰ
...বিৰাজ চক্ৰৱৰ্ত্তীৰ ৰচনাত বিৰাজ-
...কুমাৰ ভূঞাৰ ভাষাত কোৱাৰ
... প্ৰেমলীলাত শিৱসিংহ আৰু ৰাণী
...নাকৰ প্ৰেমৰ অনুৰূপ চিত্ৰ হয়তো
...ৰ ফলত ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ আৰু
...ত উন্মাদকাৰী প্ৰেমলীলাৰ প্ৰতি
... চিত্ত উন্মাদকাৰী এনেকুৱা
... সাহিত্যক অশ্লীল বুলি কলেও
... কোৱা নহব।
... সময়ৰ খৃষ্টান মিছনেৰী এ,
...া ৰচিত 'এলোকেশী বেশ্যাৰ'
...বচিনিটিৰ আভাষ পাওঁ। 'জোনাকী'
... অসমীয়া ৰোমান্টিচিজিমে প্ৰাণ

হল চালোগৈ । সন্ধিয়া বিৰলা প্লেনেটৰীয়াম চাবলৈ গলো ।

পিছদিনাই আমি কলিকতাৰ ভাৰত বিখ্যাত যাদুঘৰটো চাবলৈ গলোঁ । কলিকতাৰ যাদুঘৰৰ বিভিন্ন বিভাগত অসংখ্য বস্তু আছে । প্ৰাণী বিভাগটো বহুতো দেশী, বিদেশী বিভিন্ন চৰাই সাগৰীয় সিন্ধুঘোটকৰ দৰে কেইবিধ মান প্ৰাণী; টাপিৰ জাতীয় দুস্প্ৰাপ্য জীৱ ইয়াত মৃত অৱস্থাত সংৰক্ষণ কৰা হৈছে । সেইবোৰৰ সংৰক্ষণ পদ্ধতি ইমান ভাল যে জীৱন্ত যেনহে লাগে । ইয়াৰ উপৰিও এই বিভাগত বন মানুহ ( চিম্পাঞ্জী, গৰিলা আৰু ওৰাংউটাং যাক ইংৰাজীত Ape বুলি কয় ) আৰু মানুহৰ জকাঁও অধ্যয়নৰ উপযোগী কৈ ইয়াত ৰখা হৈছে । এটা সৰু তিমিমাছৰ জকাঁও ইয়াত আছে । ইয়াৰ উপৰিওঁ দুবিধ জাতৰ ঘৰিয়াল ইয়াত ৰখা হৈছে ( Alligator আৰু Graisillidar ) ।

যাদুঘৰটোৰ অন্যান্য বিভাগবোৰো নানান ধৰণৰ বস্তুৰে ভৰপূৰ । স্থুল-স্থূলীয়া আৰু বিশৃঙ্খল কলিকতা মহানগৰীত দুদিন থাকি অসমলৈ যোৱা ৰেল ধৰাৰ বাবে আমি বাৰাউনী মুৱাহৈ যাত্ৰা




আৰম্ভ ক
মানুবন্ত্ৰিতা
চ্ছন্নাতাও ব
অশান্তি হৈ
কেতিয়াব।

দহ তা
যেঁচন পা
ৰেলত উঠি
উঠাৰ লগে
শেস হৈ আ
তাৰ পিছতে

পিছদিন
আমাৰ তে
দুই এজন
ঘৰলৈ যো
লগে লগে
দিনৰ সহ

আমাৰ
তাৰ স্মৃতি



সাব্যস্ত কৰা নহব বা বাস্তে
ভাত শিক্ষনীয় বিষয় দি সম
ৰচিত হয় ।

যিখন কিতাপত যৌন স
কোনো লাগ-বান্ধ নাথাকে, তৰ
সততে যৌন তত্বৰ নিম্ন স্তৰ
গামী কৰে, যি কামোদ্রেকৰ
নৈতিকতা আৰু ৰুচিক নষ্ট ক
সাহিত্য' বা ইংৰাজীত 'পৰ্নোগ্ৰ
বুলি কোৱা হয় আৰু তাক
'অশ্লীলতা' বা 'অবচিনিটি' বু
বৰ্ত্তমানৰ প্ৰগতিশীল দেশ ইংল
ঠাইত 'পৰ্ণোগ্ৰাফী' জাতীয় বি
যায় । কিন্তু ভাৰতত 'অবচিনি
বেছি । ইয়াত পৰ্ণোগ্ৰাফী বি

শীলতা বা অশ্লীলতা সা
বেলেগ বেলেগ হোৱা দেখা য
আমি ইংলণ্ড আৰু ভাৰতীয়
অশ্লীলতাৰ পাৰ্থক্য দেখুৱাব পা
লাভাৰ' নামৰ উপন্যাস খন ই
জুৰীৰ বিচাৰত মুক্তি লভি
অশ্লীলতাৰ বান্ধোনৰ পৰা মু
এমিলি জোলাৰ "La Tevv
শকক অশ্লীলতাৰ দোষত
যি বছৰত দণ্ড বিহিছিল,
ফ্ৰান্সত যেখেতে পাইছিল 'L
আকৌ তাৰ সাত বছৰৰ পি
পাইছিল ইংলণ্ডৰ পৰা শ
গতিকে দেখা যায় যে অশ্লী
ধাৰণাহে; অতীজৰে পৰা এ

# আধুনিক অসমীয়া সাহিত্যত অশ্লীলতা

শ্ৰীসমীৰন ডেকা
২য় বাৰ্ষিক (কলা)

বৰ্ত্তমান যুগত বিশ্বৰ সকলো সাহিত্যতেই শ্লীলতা বা অশ্লীলতাক লৈ নানা আলোচনা বিলোচনা চলি আছে। অসমীয়া স হিত্যও এই বিষয়ত তেনেই পিছপৰি থকা নাই। ভাৰতীয় সাহিত্যতো অশ্লীলতা সম্পৰ্কে নানা সমালোচনা হোৱা দেখা গৈছে। ইংৰাজীৰ 'পৰ্নোগ্ৰাফী' আৰু 'অবচিনিটি' নামৰ শব্দ দুটা ক্ৰমে 'অশ্লীল সাহিত্য' আৰু 'অশ্লীলতা' বুজাবলৈ সাধাৰণতে ব্যৱহাৰ কৰা হয়।

প্ৰায় এশ বছৰ আগতে ইংলণ্ডৰ প্ৰধান বিচাৰক ককবাৰ্নে অশ্লীলতা সম্পৰ্কে যি মান দণ্ড দিছিল, ভাৰতে আজিও তাক মানি লয়। বিচাৰক ককবাৰ্নৰ মতে অশ্লীলতা আছিল এই—

"I think, the test of obscenity is this, whether the tendency of the matter ch-

arged as
Corrupt t
such imm
hands a
fall. It i
suggest t
sex or ev
ced years
and libid,
১৮৫৭ খৃঃ
গুৰুত্বপূৰ্ণ
বছৰ পিছ
. The Eng
ধাৰা অন
নগ্নতা থা

নদিলে। পীতাম্বৰৰ প্ৰতি শঙ্কৰ-
ক্তৰ পৰা সেই সময়ৰ সাহিত্যত
তাৰ স্থান সম্পৰ্কে অনুমান কৰিব
এই খিনিতেই এইটোও উল্লেখ-
ত একেজনা মহাপুৰুষৰ দ্বাৰাই
বাগীকৃত যৌৱনৰ যি বৰ্ণনা দিয়া
অবচিনিটিৰ গোন্ধ একেবাৰে
অনন্ত কন্দলী আদিৰ ৰচিত
পৰিণয় আদি কাব্যত হৰ পাৰ্ব্বতী-
উষা-অনিৰুদ্ধৰ অগ্নিগড়ৰ ভিত-
াদিতো আমি অবচিনিটিৰ গোন্ধ

' কবি, কবিৰাজ চক্ৰৱৰ্ত্তীৰ 'ব্ৰহ্ম-
ীত-গোবিন্দ" আদি কাব্যত ৰাধা
ৰাসলীলাৰ ওপৰতে বেছি গুৰুত্ব
ৰাধা-কৃষ্ণৰ বিহাৰ আৰু ৰাস-
ত্মক ইন্দ্ৰিয়ানুভূতি পূৰ্ণ পৰিবেশৰ
বিৰাজ চক্ৰৱৰ্ত্তীৰ ৰচনাত বিৰাজ-
ৃমাৰ ভূঞাৰ ভাষাত কোৱাৰ
প্ৰেমলীলাত শিৱসিংহ আৰু ৰাণী
ানাকৰ প্ৰেমৰ অনুৰূপ চিত্ৰ হয়তো
ৰ ফলত ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ আৰু
ত্ত উন্মাদকাৰী প্ৰেমলীলাৰ প্ৰতি
চিত্ত উন্মাদকাৰী এনেকুৱা
সাহিত্যক অশ্লীল বুলি কলেও
কোৱা নহব।

সময়ৰ খৃষ্টান মিছনেৰী এ,
ৰচিত 'এলোকেশী বেশ্যাৰ'
বচিনিটিৰ আভাষ পাওঁ। 'জোনাকী'
অসমীয়া ৰোমাণ্টিচিজিমে প্ৰাণ

হল চালোগৈ । সন্ধিয়া বিৰল বা নতব যদি
চাবলৈ গলো । (শ্লৰ বাবেহে
পিছদিনাই আমি কলিকতাৰ
যাদুঘৰটো চাবলৈ গলোঁ । কলি আলোচনাত
বিভিন্ন বিভাগত অসংখ্য বস্তু নী সকলৰ মন
বিভাগটো বহুতো দেশী, বিদেশী ই নি বিপথ-
সাগৰীয় সিন্ধুঘোটকৰ দৰে কে জনসাধাৰণৰ
টাপিৰ জাতীয় দুস্প্ৰাপ্য জীৱ ইকেই 'অশ্লীল
সংৰক্ষণ কৰা হৈছে । সেইবোৰৰ তীয় সাহিত্য
ইমান ভাল যে জীৱন্ত যেনহে লগা দৃশ্যবোৰক
বিও এই বিভাগত বন মানুহ ( লোৱা হয় ।
আৰু ওৰাংউটাং যাক ইংৰাজীত ৰিকা আদি
আৰু মানুহৰ জকাঁও অধ্যয়নৰ বহুখো পোৱা
ৰখা হৈছে । এটা সৰু তি মিস্নীয় কিতাপহে
আছে । ইয়াৰ উপৰিও দুবিধ
ৰখা হৈছে ( Alligator আৰু , পাত্ৰভেদে
যাদুঘৰটোৰ অন্যান্য বি হৰণ স্বৰূপে
ধৰণৰ বস্তুৰে ভৰপূৰ । স্থূল-স্থূ শ্লীলতা বা
কলিকতা মহানগৰীত দুদিন থ ডি চাটাৰ্লিজ
ৰেল ধৰাৰ বাবে আমি বাৰ আমেৰিকাত
ভাৰতত ই
। সেইদৰে
াপৰ প্ৰকা-
বিচাৰকে
ই বছৰতে
f honour';
জোলাইয়ে
অভিনন্দন ।
আপেক্ষিক
ক একেবিধ

সাহিত্য বা একোবিধ কলাই অশ্লীল বুলি পৰিগণিত হৈ থাকিব নোৱাৰে । সেয়ে নোহোৱা হলে শশ বছৰ পুৰণি গ্ৰীচৰ স্থাপত্য-ভাস্কৰ্য্য, সাহিত্য, চিত্ৰকলা, মিছৰৰ সাহিত্য ৰাজি আৰু ভাৰতবৰ্ষৰ অজন্তা - ইলোৰাত খোদিত নানান মূৰ্ত্তি, জগন্নাথ, ভূৱনেশ্বৰ, কৰ্ণাটক আদি মন্দিৰত খোদিত অনেক শিল্প ভাস্কৰ্য্য আৰু ভাৰতৰ সমগ্ৰ পুৰাণি ৰস সাহিত্যই সদায় অশ্লীলতাৰ শাৰীতেই পাৰি থাকিল হেতেন ।

ডি, এইচ, লৰেন্সৰ 'লেডি চাটাৰ্লিজ লাভাৰ' জেমচ জয়েচৰ বিশ্ব সাহিত্য 'ইউলিছিছ', ফ্ৰেঙ্ক হেৰিছৰ 'মাই লাইফ এণ্ড লাভ' আদি কিতাপ কৰবাত অশ্লীল বুলি পৰিগণিত হলেও কৰবাত আকৌ শ্লীলতাৰ ঠাই পাইছে। অশ্লীল সাহিত্য বুলি ৰায় দিয়া-'The picture of Dorian Gray' ৰ লিখক অস্কাৰ ওৱাইল্ডে সেয়ে তেওঁৰ ভাষাৰে কৈছিল—'There is no such thing as a moral or an immoral book. Books are well written or badly written. That is all.''

পাশ্চাত্য সাহিত্যৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত আমাৰ আধুনিক অসমীয়া সাহিত্যইও অশ্লীলতাৰ সমালোচনাৰ পৰা হাত সাৰিব পৰা নাই । অৱশ্যে আঙুলিৰ মুৰত লেখিব পৰা অসমীয়া সাহিত্য ৰাজিৰ ভিতৰত পৰ্ণোগ্ৰাফী জাতীয় কিতাপ নাই বুলিবই পাৰি যদিও অৰ্চনিটি জাতীয় কিতাপৰ সংখ্যা প্ৰায়েই দেখা যায়। আজিকালিৰ এচাম সাহিত্যিক আছে যাৰ মনৰ ধাৰণা এখন উপন্যাসত একোটাইত নগ্নদৃশ্য নাথাকিলে সেই উপন্যাস যেন আধৰুৱা হৈয়ে থাকিব । সেয়েই হয়তো

নতুন নতুন উপন্যাসবোৰত আমি প্ৰায়েই নগ্ন দৃশ্য দেখিবলৈ পাওঁ।

অৱশ্যে কেৱল যে বৰ্তমানতহে অসমীয়া সাহিত্যত অশ্লীলতাই আত্ম প্ৰকাশ কৰিছে এনে নহয়; আমি যদি মন কৰো দেখিবলৈ পাম 'যুগ নিৰপেক্ষ মৌখিক সাহিত্যৰ' দিনৰ পৰাই আমাৰ সাহিত্যত অশ্লীলতাই খোপনি পুতিছে। উদাহৰণ স্বৰূপে আমি সেই সময়ৰ "লোকগীত" বোৰকেই উনুকিয়াব পাঁৰো। উদং পথাৰৰ বুকুত, বিহুতলিত বৰ গছৰ তলত, যৌৱনোচ্ছল ডেকা-গাভৰুৱে যৌৱনৰ নাচ-নাচে, যৌবনৰ ৰাগীত বাউল হৈ সৃষ্টিৰ পাতনি মেলে। যৌৱনৰ উদ্দাম বাসনা মিলনৰ তীব্ৰ আকাঙ্খা, বিৰহৰ উত্তাপ, প্ৰেমৰ অসীম আকুতি এই বিহুগীত-বোৰত আমি সৌ তাহানিৰে পৰা পাই আহিছো। কিন্তু এই গীত-নাচবোৰক অশ্লীল বুলি নধৰি ধৰিছে জাতীয় সংস্কৃতি হিচাবে। শঙ্কৰী যুগৰ আগতে অসমীয়া সাহিত্যত শ্লীলতা বা অশ্‌লীলতা সম্পৰ্কে কোনো-বাক্ বিতণ্ডা হোৱা নাছিল।

'শঙ্কৰী যুগৰ' অসমীয়া [illegible] বৈষ্ণৱ ধৰ্ম্মীয় সমাজ খনৰ পৰাহে অসমীয়া সাহিত্যত শ্‌লীলতা বা অশ্‌লীলতা সম্পৰ্কে মতভেদ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে—এবাৰ 'পীতাম্বৰ কবি' শঙ্কৰ দেৱত শৰণ লব খোজাত নাৰায়ণ ঠাকুৰে পীতাম্বৰৰ ৰচিত পদ এফাঁকি গাই শুনায়, যি ফাঁকিত ধৰ্ম্মীয় ভাৱে ফালৰি কাটি যৌন ভাৱক উৎকৃষ্ট কৰিলে —"বিলাপ কৰি কান্দে আই ৰুকমিনী।

কোন অঙ্গে খুন দেখি নাইলা যদুমনি।" কিন্তু এই পদফাঁকি শুনি শঙ্কৰদেৱে কবি পীতাম্বৰৰ কাব্যক নিন্দা কৰি আৰু তেওঁক 'তামসিক কবি' বুলি কৈ শৰণ নিদিলে। পীতাম্বৰৰ প্ৰতি শঙ্কৰদেৱৰ এই উক্তিৰ পৰা সেই সময়ৰ সাহিত্যত শ্‌লীলতা বা অশ্লীলতাৰ স্থান সম্পৰ্কে অনুমান কৰিব পাৰি। অৱশ্যে এই খিনিতেই এইটোও উল্লেখনীয় সেই সময়তে একেজনা মহাপুৰুষৰ দ্বাৰাই ৰচিত নানান কাব্যগীতত যৌৱনৰ যি বৰ্ণনা দিয়া আছে সেইবোৰত অবচিনিটিৰ গোন্ধ একেবাৰে নোহোৱা নহয়। অনন্ত কন্দলী আদিৰ ৰচিত কুমাৰ হৰণ, উষা-পৰিণয় আদি কাব্যত হৰ পাৰ্ব্বতীৰ কাম ক্ৰীড়া, উষা-অনিৰুদ্ধৰ অগ্নিগড়ৰ ভিতৰত গুপ্ত প্ৰণয় আদিতো আমি অবচিনিটিৰ গোন্ধ পাওঁ।

'আহোম যুগৰ' কবি, কবিৰাজ চক্ৰৱৰ্ত্তীৰ 'ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ' 'গীত-গোবিন্দ" আদি কাব্যত ৰাধা-কৃষ্ণৰ প্ৰেম আৰু ৰামলীলাৰ ওপৰতে বেছি গুৰুত্ব দিয়া হৈছিল। ৰাধা-কৃষ্ণৰ বিহাৰ আৰু ৰাসক্ৰীড়াৰ কামোত্তেজক ইন্দ্ৰিয়ানুভূতি পূৰ্ণ পৰিবেশৰ বিশদ বিবৰণ কবিৰাজ চক্ৰৱৰ্ত্তীৰ ৰচনাত বিৰাজমান। ডঃ সূৰ্য্যকুমাৰ ভূঞাৰ ভাষাত কোৱাৰ দৰে—"ৰাধাকৃষ্ণৰ প্ৰেমলীলাত শিৱসিংহ আৰু ৰাণী ফুলেশ্বৰীয়ে তেওঁলোকৰ প্ৰেমৰ অনুৰূপ চিত্ৰ হয়তো দেখা পাইছিল, যাৰ ফলত ব্ৰহ্মবৈবৰ্ত্ত পুৰাণ আৰু গীত গোবিন্দৰ চিত্ত উন্মাদকাৰী প্ৰেমলীলাৰ প্ৰতি আকৃষ্ট হৈছিল।" চিত্ত উন্মাদকাৰী এনেকুৱা ৰসোময়ী ধৰ্ম্মীয় সাহিত্যক অশ্‌লীল বুলি কলেও হয়তো খুব বঢ়াই কোৱা নহব।

ইংৰাজ ৰাজত্বৰ সময়ৰ খৃষ্টান মিছনেৰী এ, কে, গাৰ্নীৰ দ্বাৰা ৰচিত 'এলোকেশী বেশ্যাৰ' কাহিনীত আমি অবচিনিটিৰ আভাষ পাওঁ।'জোনাকী' '[illegible]হী' আদিৰ যুগত অসমীয়া ৰোমাণ্টিচিজিমে প্ৰাণ

পালেও অশ্লীলতাই থাক বল কৰিব পৰা নাছিল হয়তো উপযুক্ত সময়ৰ অভাৱত। আৰু যিখিনি আছিল, তাকো হয়তো সমালোচক বৃন্দই তেওঁ-লোকৰ যুক্তি তৰ্কৰ জালেৰে বান্ধিবলৈ ইচ্ছা কৰা নাছিল।

'আৱাহন' যুগৰে পৰা সাম্প্ৰতিক 'ৰামধেনু' 'নৱযুগ' আদিৰ যুগলৈকে অসমীয়া সাহিত্যত বাস্তৱ-বাদৰ ছাঁ পৰে। এই সময়তে বহুতো কথা-শিল্পীৰ সাহিত্যত যৌন চিন্তাই শিপা মেলে যদিও লক্ষ্মীধৰ শৰ্ম্মাদেৱেই পোন প্ৰথমে তেওঁৰ লিখনিৰ মাজেৰে ফ্ৰয়েদৰ (Freud) যৌন চিন্তাৰ সোঁত বোৱায়। অমূলা বৰুৱাৰ 'বেশ্যা' কবিতাই জয়ন্তীৰ পাতত আলোড়ন তুলিছিল। ডাঃ হেমচন্দ্ৰ বৰুৱা, চৈয়দ আব্দুল মালিক, পদ্ম বৰকটকী আদিৰ কথা সাহিত্যত যৌন ক্ষুধাৰ নগ্ন চিত্ৰ আমি দেখা পাওঁ। এই যুগৰ গল্পৰ বিষয়ে অধ্যাপক ত্ৰৈলোক্য নাথ গোস্বামী দেৱৰ ভাষাত কব পাৰি— 'ভালেমান গল্পত অৱশো বাক্ সংযমৰ জৰী ঢিলা হৈ পৰিছে আৰু পৰিবেশ সৃষ্টিৰ নামত অনাৱশ্যকীয় ভূমিকাৰ ওপৰত অধিক গুৰুত্ব আৰোপিত হৈছে। কাব্যিক সৌন্দৰ্য্যৰ মোহত অভিভূত হৈ পৰা লেখকো নোহোৱা নহয়। যৌন ক্ষুধাৰ প্ৰচণ্ডতাৰ চিত্ৰ ফুটাই তুলিবলৈ যাওঁতে কোনো গল্পত নগ্নতা প্ৰকাশ হৈয়ো পৰিছে। আধুনিক গল্প যথেষ্ট সমৃদ্ধ হৈছে।" এই সময়ত, কথা সাহিত্যত যি নগ্নতাই মূৰ দাঙি উঠে সেই নগ্নতা যে ক্ষুধাৰ্ত্ত মনৰ নগ্নতা নহয়, কেৱল সত্যতাৰ প্ৰয়োজনৰ দাবীৰহে নগ্নতা তাক সময়ৰ লগত খোজ মিলাই পৰীক্ষা কৰিলেহে বুজিব পাৰি। এসময়ত হেমচন্দ্ৰ বৰুৱাদেৱৰ 'জুহৰা' গল্পই সমালোচক বৃন্দৰ মাজত এক বিৰাট আলোড়নৰ সৃষ্টি কৰিছিল। আকৌ এখেতে "চপনীয়া' 'নৱগ্ৰহ' আদি পুথিতো নগ্ন চিত্ৰ অঁকাত সমালোচক বৃন্দৰ চকু ঠিয় হৈছিল।

প্ৰায় তিনি দশকৰ পূৰ্ব্বৰে শ্ৰেষ্ঠ গল্প লিখক ৰমা দাসৰ 'জীৱনৰ এৰাতি' গল্পটোৰ নাৰী চৰিত্ৰটোই বহুতৰে নাক কোচ খুৱাইছিল। আকৌ এই শতাব্দীৰ চতুৰ্থ দশকৰ শেষৰ পৰাই কথা শিল্পী ৰূপে জনপ্ৰিয়তা অৰ্জ্জন কৰা চৈয়দ আব্দুল মালিকৰ 'বীভৎস বেদনাই' 'জুহৰা' গল্পৰ দৰে আলোড়নৰ সৃষ্টি কৰে যদিও জ্ঞানানন্দ শৰ্ম্মা পাঠকৰ 'ৰামধেনুৰ' পাতত প্ৰকাশিত 'সাহিত্যত যৌন আবেদন' নামৰ প্ৰবন্ধটোৱে এই গল্প দুটাক অশ্লীল নামাকৰণৰ পৰা উদ্ধাৰ কৰে। পদ্ম বৰকটকীৰ 'মনৰ দাপোন' 'খৰৰ বিচাৰি', 'ৰীতাৰ প্ৰেম' 'অশ্লীল' আদি উপন্যাসত আৰু গল্প সংকলনত নগ্নতা আছে যদিও তাত সামগ্ৰিক ভাবে মানৱীয় আবেদন থকা কথা-টোও সত্য। 'ৰীতাৰ প্ৰেম' গল্প সংকলনৰ 'মোৰ জীৱনত প্ৰথম', 'বিয়াৰ আঠদিন পিছত', 'তিনি টকাত এৰাতি' আদি গল্পবোৰত কম কথাৰে নগ্নতাৰ চিত্ৰ ফুটাই তুলিছে যদিও ইয়াত অশ্লীলতা পোৱা নাযায়। হোমেন বৰগোহাঞিৰ 'মহাশ্বেতাৰ বিয়া', দুল ফুকনৰ 'ৰতি বিলাপ', সদা শইকীয়াৰ 'হে ঈশ্বৰ হে মানুহ', কুমাৰ কিশোৰৰ 'শতাব্দীৰ স্বপ্ন,' হেমকান্ত ভূঞাৰ 'ভানু বাইদেউ' আদি গল্পই অসমীয়া ৰক্ষণশীল সমাজত খলকনি তুলিলেও ইয়াত আৰ্ট আৰু শিক্ষনীয় বিষয় দুয়োটাই মন কৰিব লগীয়া। অৱশ্যে উপৰোক্ত কিছুমান গল্পত দুই এটা লাইন নিদিয়া হলে লিখকৰ সূক্ষ্ম মনোদৃষ্টিৰ পৰিচয় হয়তো ভালদৰে ফুটি উঠিল হেতেন। উপন্যাসিক হিতেশ ডেকাৰ 'আচলি

মানুহ' উপন্যাসত অবচিনিট থাকিলেও সেয়া সত্যতাৰ প্ৰয়োজনতহে।

আনহাতে এইটোও স্বীকাৰ্য্য যে— আজিকালি বজাৰত বিক্ৰীৰ বাবে "অঞ্জনা," 'অলকা'ৰ লেখায়া খিবোৰ সস্তীয়া কিতাপ দোকানত পোৱা যায় সেইবোৰে মানৱ মনৰ কোনো উৎকৰ্ষ সাধন কৰিব নোৱাৰে। কেৱল নগ্নভাৱে আঁকা নাৰীদেহৰ বৰ্ণনাই অপ্ৰাপ্ত বয়স্ক সকলৰ কামোদ্ৰেকহে কৰিব পাৰে! এনে ৰচনা অৰ্থহীন ধন সঞ্চয়ৰ নৱপন্থা।

সাহিত্যত যৌন ৰসাত্মক বৰ্ণনাৰ আতিশয্যই সমাজৰ কিবা অপকাৰ কৰে নে নকৰে এই বিষয়ে নানা মুনিৰ নানা মত। সমাজৰ ওপৰত যৌনতাৰ চিত্ৰ থকা সাহিত্যৰ নৈতিক প্ৰভাৱ হয়তো একেবাৰে নোহোৱা নহয়; সেইবুলিও সাহিত্যত যৌনাতিশয্য থাকিলেই অপৰাধ প্ৰৱণতা বাঢ়ে বুলিও কব নোৱাৰি। সৎসাহিত্যই কেইজন মানুহক পৱিত্ৰ কৰিছে? পৃথিৱীত বাইবেল নপঢ়া মানুহৰ সংখ্যা তেনেই তাকৰ নহয়, অথচ মানুহে জানো অপৰাধ কৰিবলৈ এৰিছে? যৌন লালসাই সমাজত যিমান অনাচাৰ ঘটায় তাতোকৈও বেছি অনৰ্থ ঘটায় অৰ্থলোভ, ক্ষমতা, স্পৃহা আৰু পদমৰ্য্যাদাৰ আকাংক্ষাই। কামিনীতকৈও কাঞ্চন বেছি অনৰ্থকাৰক আৰু ইয়াৰ কু-প্ৰভাৱ সুদূৰ প্ৰসাৰী।

অৱশ্যে লগতে আমি এইটোও স্বীকাৰ কৰিব লাগিব যে—সাহিত্যৰ সৌন্দৰ্য্য যৌন চিত্ৰ ৰূপায়ণতে সীমাবদ্ধ কেতিয়াও নহয়; জৈৱিক কামনাৰ আকৰ্ষণ অপ্ৰতিৰোধ্য সঁচা, কিন্তু কেৱল সেইটোৱেই যদি সাহিত্যত প্ৰধান হৈ পৰে তেন্তে সাহিত্যৰ পৰা সত্য আৰু সুন্দৰ দুয়োটাই বিদায় গ্ৰহণ কৰাটো সুনিৰ্দ্দিষ্ট। পাশ্চাত্য সাহিত্যৰ কথা বেলেগ, তাৰ প্ৰাণ প্ৰৱাহ বিপুল; তাৰ চেক্স—সাহিত্য সাহিত্যৰ অজস্ৰধাৰ প্ৰৱাহৰ এটা বুৰবুৰণি মাত্ৰ; কিন্তু আমাৰ দেশৰ কথা সুকীয়া। কোৱা বাহুল্য আমাৰ দেশত পুঁজিবাদী সমাজ ব্যৱস্থাত জীৱনৰ সত্য যৌন সুখৰ উল্লাসত পৰিণত হৈছে। লেখক সকলৰ আত্ম বিশ্লেষণ থাকিলে সমাজ ব্যৱস্থা জনিত এই দুৰ্গতিয়ে সাহিত্য ভাৱনাক কেতিয়াও মোহাচ্ছন্ন কৰিব নোৱাৰে।



# কালিদাসৰ প্ৰকৃতি বৰ্ণনা



শ্ৰীপৰমানন্দ ডেকা
প্ৰথম বাৰ্ষিক, (কলা)

কবিকুল গুৰু কালিদাস সংস্কৃত কাব্য আকাশৰ শাৰদীয় পূৰ্ণিমাৰ জোন। সংস্কৃত কাব্য সাহিত্যত যে কালিদ সৰ স্থান একক তথা অদ্বিতীয় এই কথা সকলোৱে একমুখে স্বীকাৰ কৰিব লাগিব। তেওঁৰ কাব্যিক প্ৰতিভা প্ৰাচীন কালৰে পৰা ভাৰতবৰ্ষৰ ইমূৰৰ পৰা সিমূৰলৈ কোটি কোটি অগনন নৰ-নাৰীৰ আকুল প্ৰাণত ধ্বনিত হৈ আহিছে আৰু চিৰ দিনলৈ থাকিবওঁ। সেয়ে ভাৰতীয় কবি সকলৰ ভিতৰত কালিদাসক 'কবিপতি' আখ্যাৰে আখ্যায়িত কৰা হৈছে।

"বাল্মীকেৰজনি প্ৰকাশিত গুণা ব্যাসেন লীলাৱতী
বৈদৰ্ভী কবিতা স্বয়ং বৃতবতী শ্ৰীকালিদাসং বৰম্।
যাহস্যামৰসিংহমাঘধনিকান্ সেয়ং জৰানীৰসা
শন্যালংকৰণা স্খলন্মৃদুপদাকং বা জনং নাশ্ৰিতা ॥

"কবিতাবুৱৰী বাল্মীকিৰ আলসুৱা দুহিতা ভগৱান্ বেদ ব্যাসে তাইক লালন পালন কৰি, লীলা সম্পাদেৰে সুশোভিতা কৰি আৰু তাইৰ গুণ ৰাশি প্ৰকাশ কৰি নব যৌৱনা কৰিলে আৰু সেই কবিতা কন্যাই বিদৰ্ভ ৰীতিৰূপ অলঙ্কাৰেৰে ভূষিতা হৈ স্বেচ্ছাই শ্ৰীকালিদাসক পতি বৰণ কৰিলে। দুয়ো পতি-পত্নীয়ে অমৰসিংহ, মাঘ আৰু ধনিকক জন্ম দিলে। কিন্তু এতিয়া তাই (কবিতা) বৃদ্ধা-দুৰ্ব্বলা, সকলো সৌন্দৰ্য্য তাইৰ মৰহি গৈছে আৰু শূন্যা-লঙ্কৰণা কবিতাৰ আজি পদস্খলন ঘটিছে। তাই জানো বৰ্ত্তমানৰ (সাধাৰণ) জনৰ আশ্ৰয় লব"

কবি জয়দেৱৰ এই শ্লোকটিৰ পৰাই মহাকবি কালিদাসৰ যথাৰ্থ পৰিচয় পোৱা যায়।

এতিয়া কালিদাসৰ প্ৰকৃতি বৰ্ণনালৈ অহা যাওঁক। প্ৰকৃতি বৰ্ণনাৰ ক্ষেত্ৰত মহাকৱি কালিদাসে ভাৰতবৰ্ষৰ তথা পৃথিৱীৰ অন্যান্য সকলো কবিক

পৃথিৱীৰ অন্যান্য সকলো কবিকে চেৰ পেলাব পাৰিছে যেন লাগে। আধুনিক সমালোচক সাহিত্যিক সকলে এই কথা স্বীকাৰ কৰে যে—'প্ৰকৃতি' কবিতাৰ জীৱন তথা প্ৰাণ। এয়া যদি সত্য হয় তেনে হলে কালিদাসক আমি 'প্ৰকৃতি কবি'ৰে আখ্যায়িত নকৰিলে চৰম ভুল কৰা হব। কালিদাসে সদায় প্ৰকৃতিৰ ছাঁত লুকাই থাকিহে নিজক প্ৰকাশ কৰিবলৈ ভাল পাইছিল। সেয়ে তেওঁৰ প্ৰত্যেকখন কাব্যতেই আমি প্ৰকৃতিৰ অবৰ্ণনীয় ৰূপ সজ্জাৰ প্ৰতিবিম্ব প্ৰতিভাত হোৱা দেখিবলৈ পাওঁ। ইয়াৰ পৰা এইটো সহজে ধাৰণা কৰিব পাৰি যে—প্ৰকৃতি দেৱী আছিল কালিদাসৰ প্ৰাণাধিকা প্ৰিয়া স্বৰূপ আৰু এই প্ৰিয়াৰ সান্নিধ্যই তেওঁৰ জীৱনৰ ঘাত প্ৰতিঘাত মষিমুৰ কৰি তেওঁক এক প্ৰকৃতিৰ চিৰসৌন্দৰ্য্যময় কল্পলোকত আনন্দ মনে বিচৰণ কৰিবলৈ সুযোগ দিছিল। চিৰসৌন্দৰ্য্যময়ী প্ৰকৃতি দেৱীৰ ৰূপসাধনাত কালিদাস সদায় ব্ৰতী আছিল। প্ৰকৃতিদেৱী আছিল তেওঁৰ জীৱন, তেওঁৰ প্ৰাণ, তেওঁৰ আত্মা—তেওঁৰ সকলো।

মানুহৰ অন্তৰৰ অতি গভীৰতম কোণ স্পৰ্শ কৰি যোৱাকৈ প্ৰকৃতিৰ সৌন্দৰ্য্য বৰ্ণনা কৰাত কালিদাস আছিল সিদ্ধহস্ত। তেওঁ বৰ্ণনা কৰা --সৰ্ব্বদা সূৰ্য্যদেৱৰ তাপবিৰাজমান গিৰিৰাজ হিমালয়ৰ গগনস্পৰ্শী শৃঙ্গাৱলী, ইয়াৰ হিমস্তূপ মৃদু সমীৰণে জুৰ পেলোৱা বিভিন্ন বৃক্ষৰাজি, পাদোদেশত কৃষ্ণ-সাৰ বিচৰণ কৰি ফুৰা অৰণ্যখণ্ডৰ, আৰু ৰংবিৰঙৰ পুষ্পৰাজিৰে চৌপাৰ পৰিবেষ্টিত মানস সৰোবৰৰ বৰ্ণনা সঁচাকৈয়ে বিস্ময়কৰ। গঙ্গা, যমুনা, মন্দাকিনী, মালিনী আদি নদ-নদীৰ আৰু আশ্ৰম জীৱনৰ বৰ্ণনাওঁ সঁচাকৈয়ে অতিব সুন্দৰ আৰু মনোৰম। কালিদাসৰ বৰ্ণনা ক্ষমতা অতি উচ্চ স্তৰৰ আৰু মহান। তেওঁৰ গ্ৰন্থাৱলীৰ অধিকাংশ দৃশ্যৰ বৰ্ণনা ইমান মনোৰম ও জীৱন বোধক যে সেই সমূহ অধ্যয়ন কৰোতে সচেতন পাঠকো মন্ত্ৰমুগ্ধৰ দৰে বাস্তৱ জগত পাহৰি প্ৰকৃতিৰ ৰাজ্যত সোমাই পৰে।

আগতে উল্লেখ কৰা হৈছে যে প্ৰকৃতি কালিদাসৰ কাব্যৰ প্ৰাণ। তেওঁৰ প্ৰত্যেকখন শ্ৰব্য তথা দৃশ্য কাব্যতেই— বিশেষকৈ ৰঘূবংশ; কুমাৰ সম্ভৱ; শকুন্তলা; ঋতুসংহাৰ আৰু মেঘদূতত আৰম্ভণিৰে পৰা পৰিসমাপ্তিলৈকে বিভিন্ন ধৰণৰ প্ৰাকৃতিক বৰ্ণনা পৰিলক্ষিত হয়। এই বৰ্ণনা সমূহ এনে সুন্দৰ-নিখুত মনোৰম চিত্ৰৰ সহায়ত অঙ্কিত কৰিছে যে অতি সহজে আৰু নিঃসন্দেহে পাঠকৰ চিত্তাকৰ্ষণ কৰিব পাৰিছে। ৰঘূবংশত থকা লঙ্কা নগৰীৰ বৰ্ণনা, সমুদ্ৰৰ বৰ্ণনা, গঙ্গা যমুনাৰ মিলন-ক্ষেত্ৰৰ বৰ্ণনা সৰযূ নৈৰ বৰ্ণনা, পঞ্চবটী বনৰ বৰ্ণনা আৰু সুতিক্ষ্ণ— অগস্ট আদি ঋষি সকলৰ আশ্ৰমৰ বৰ্ণনা অতীব চিত্তাকৰ্ষক আৰু মনোৰঞ্জক,—লগতে গভীৰ অনুভূতিদায়ক। লঙ্কা জয় কৰি ৰাক্ষসকুল ধ্বংস কৰি প্ৰাণপ্ৰিয়া জানকীৰ সৈতে পুষ্পক ৰথেৰে আকাশ মাৰ্গেৰে আহি সমুদ্ৰৰ ওপৰ পোৱাত, শ্ৰীৰাম চন্দ্ৰই সীতাক সমুদ্ৰৰ সৌন্দৰ্য্যৰ কথা কৈছে —"হে বিদেহ নন্দিনী! চোৱাচোন, মলয় পৰ্ব্বতলৈকে ব্যাপি থকা মই সজা সেতুৰ দ্বাৰা দুইভাগত বিভক্ত হোৱা ফেনিল মহাসাগৰখন, নক্ষত্ৰ মণ্ডলীৰে সুশোভিত ছাটিপটিৰ দ্বাৰা বিভক্ত শৰৎ কালৰ নিৰ্ম্মল আকাশৰ দৰে দেখা গৈছে; বিভিন্ন অৱস্থা পাই আৰু নিজ মহিমাৰে দশোদিশ ব্যাপি থকা

এই সাগৰ, বিশ্বপালন কৰ্ত্তা বিষ্ণুৰ নিচিনাকৈ ইয়াৰ আকাৰ আৰু পৰিমাণ নিৰ্ণয় কৰা অসম্ভৱ। হে সীতে ! ভগবান বিষ্ণুয়ে প্ৰলয়কালত যোগ-নিদ্ৰাত থাকি বিশ্বব্ৰহ্মাণ্ডক নিজ উদৰত স্থাপন কৰি নিজৰ নাভিপদ্মত ব্ৰহ্মা'ৰ দ্বাৰা স্তুতি কৰা অৱস্থাত এই সাগৰতে শুই আছিল। হে জনক দুহিতা ! চোৱাচোন, সৌ তিমিমাছ বোৰে মুখ মেলি নদীৰ মোহনাৰ পৰা জলচৰ পূৰ্ণ পানীৰে মুখ পূৰ্ণ কৰিলৈ মূৰত থকা বিন্ধাৰে পানীবোৰ ওপৰলৈ উলিয়াই দিছে। সাগৰৰ পাৰৰ বতাহ লবলৈ অহা সাগৰৰ পৰ্ব্বত প্ৰমাণ ঢৌৰ সৈতে মিলি যোৱা, সৌ সাপবোৰ চোৱা, কেৱল সূৰ্য্যৰ ৰশ্মিত চিকমিকাই থকা সিহঁতৰ মূৰৰ মণিৰ দ্বাৰাহে চিনিব পৰা গৈছে। প্ৰিয়ে ! চোৱা, বহুদূৰৰ পৰা ক্ষীণ যেন দেখা তমাল-তাল আদি গছ-গছনিৰে আগুৰি থকা সাগৰৰ নীল উপকূললৈ, থিক যেন লোৰ চকাৰ কাষৰ ক্ষীণ ক'লা দাগৰ দৰে দেখা গৈছে।" মহাসাগৰ পাৰ হৈ পঞ্চবটী বনৰ ওপৰ পোৱাত ৰামে সীতাক চৈধ্য বছৰ বনবাসৰ কথা সোঁৱৰাই দি কৈছে— "হে আয়ত নয়না ! ক্ষীণ কঙ্কাল স্বত্বেও মাটিৰ কলহেৰে পানী আনি তুলি য'ত পানী ঢালি আমৰ পুলি নিজ হাতেৰে লালন পালন কৰি ডাঙৰ কৰিছিলা আৰু য'ত কৃষ্ণসাৰ পহু বোৰে ওপৰলৈ মূৰ কৰি আমালৈ চাই আছে— সেয়ে এই পঞ্চবটী বন, বহুদিনৰ মূৰত দেখা বাবে মোৰ মনত আনন্দ দিছে। চোৱা, নিৰ্ম্মল পানীৰে ধাৰে ধীৰে বৈ থকা সৌ মন্দাকিনীখনৈ দূৰৈৰ পৰা থিক যেন— পৰ্ব্বতৰ উপকণ্ঠত পৃথিবীৰ গলত পিন্ধা মুক্তাহাৰৰ নিচিনা দেখা গৈছে। প্ৰিয়ে ! এয়ে সেই সৰযূ নদী যাৰ উৎপত্তিস্থল, ব্ৰাহ্মসৰোবৰ (মানস সৰোবৰ) বুলি ঋষি সকলে কয় কয়, যিঃ সৰোবৰত যক্ষস্ত্ৰী সকলে তেওঁলোকৰ স্তন যুগলেৰে সোণৰ পদুমৰ ৰেণু উপভোগ কৰিছিল।" 'ৰঘুবংশ'ৰ গঙ্গা - যমুনাৰ মিলন স্থানৰ যি বৰ্ণনা মহাকবি কালিদাসে চিত্ৰিত কৰিছে—সেয়া সঁচাকৈয়ে ভাষাৰে বুজাব নোৱাৰি, কেৱল মনঃ চক্ষুৰে কল্পনাৰ সহায়তহে অনুভৱ-যোগ্য। শ্ৰীৰাম চন্দ্ৰই সীতাদেৱীৰ আগত এই মিলন স্থানৰ বিষয়ে এনে দৰে বৰ্ণাইছে— "হে অনিন্দিতাঙ্গি ! চোৱাচোন, গঙ্গাৰ জলৰাশি, যমুনাৰ ঢৌৰ লগত মিলি—এঠাইত উজ্জ্বল ইন্দ্ৰনীল মণি গাথি দিয়া মুক্তাহাৰৰ দৰে, আন এঠাইত মাজে মাজে নীল পদুম থকা বগা পদুমৰ মালাৰ দৰে, ক'ৰবাত আকৌ কলা হাঁহৰ সংসৰ্গত মানসপ্ৰিয় শুকুলা ৰাজ হাঁহৰ পংক্তিৰ দৰে, পুনৰ আন এঠাইত ক'লা অগৰুৰে চিহ্নিত পত্ৰ সমন্বিত শ্বেত চন্দন শোভিত পৃথিবীৰ তিলকৰ দৰে, কোনো ঠাইত ছায়ানীল অন্ধকাৰৰ দ্বাৰা চিত্ৰিত চন্দ্ৰৰ পোহৰৰ দৰে আৰু শৰতৰ শুকুলা মেঘৰ মাজে মাজে দেখা যোৱা নীলাকাশৰ দৰে আৰু কোনো ঠাইত কৃষ্ণসৰ্পই বেৰি থকা ভস্মমণ্ডিত মহাদেৱৰ শৰীৰৰ দৰে দেখা গৈছে।" ৰঘুবংশ মহাকবিৰ শ্ৰেষ্ঠ মহাকাব্য। এই গোটেই মহাকাব্যখন যদি আমি এইদৰে পুঙ্খানুপুঙ্খভাবে বিচাৰ কৰি চাওঁ— তেন্তে প্ৰত্যেক সৰ্গতে আমি প্ৰকৃতিৰ অনুপম ৰূপ মাধুৰীৰ মনোৰঞ্জক বৰ্ণনা দেখিবলৈ পাওঁ।

'শকুন্তলা' মহাকবি কালিদাসৰ অমৰ কীৰ্ত্তি। কালিদাসৰ শকুন্তলাৰ কাৰণে সংস্কৃত সাহিত্যই গৌৰৱত উফন্দি উঠিব পাৰে। গোটেই শকুন্তলা

খনকে প্ৰকৃতি-প্ৰতিবিম্ব বুলি কলে বোধহয় অত্যুক্তি কৰা নহব। ইয়াত থকা ঋষিবৰ কণ্ব আৰু মাৰিচৰ আশ্ৰম, কৃষ্ণবৰ্ণ মৃগ, গছৰ কোটৰত বাস কৰা পক্ষীগণ, বনজ্যোৎস্না-নৱমল্লিকা আদি লতা, সপ্তবৰ্ণ বৃক্ষ, লতাগৃহ, সেফালিকাদি ফুল, মালিনী আদি নদীৰ বৰ্ণনা ইমান চমকপ্ৰদ যে অন্তৰে অনুভৱ নকৰিলে এনেয়ে বুজি পোৱা টান। সেয়ে পণ্ডিত সকলে কয়—"কাব্যেষু নাটকং ৰম্যং তত্ৰ ৰম্যং শকুন্তলা"। কালিদাসৰ শকুন্তলাক বাদ দিলে সংস্কৃত সাহিত্য যে পঙ্গু তথা নিশ-কতীয়া হৈ পৰিব, ই ধ্ৰুৱপ।

শকুন্তলাৰ পঞ্চম অঙ্ক বাদদি বাকী প্ৰত্যেক অঙ্কই প্ৰকৃতিৰ আবেষ্টনীৰে সু-সজ্জিত। প্ৰথম অঙ্কৰ আৰম্ভণিতেই ব'ণ-সমন্বিত-ধনুহস্তে পলায়মান মৃগ অনুসৰণ কৰি ৰজা দুষ্মন্তই সাৰথিক কৈছে—"সাৰথি! সৌ হৰিণটিৰ চোৱাচোন, খুউব সুন্দৰভাবে ডিঙিটো অলপ বেঁকা কৰি পশ্চাৎ-গামী ৰথৰ প্ৰতি মুহুৰ্মুহু দৃষ্টি-পাত কৰিছে। বাণাঘাতৰ ভয়ত শৰীৰৰ পিছভাগৰ বেছি অংশ যেন সম্মুখ ভাগৰ অভ্যন্তৰতহে সোমাই পৰিছে। অতি পৰিশ্ৰমৰ (দৌৰা) হেতু প্ৰকটিত মুখৰ পৰা অনবৰতে সৰি পৰা আধা চোবোৱা ঘাঁহেৰে গোটেই পথ পৰিব্যাপ্ত হৈ পৰিছে। ঘন ঘন উৰ্দ্ধ লম্ফন হেতু ভাব হয় হৰিণটি যেন আকাশ পথেৰে উৰি গৈছে, খুউব কমেইহে তাৰ পদদ্বয়ে ভূ-স্পৰ্শ কৰিছে। চোৱাচোন, ইমান যত্ন কৰি অনুসৰণ কৰা সত্বেও হৰিণটি ভালদৰে দৃষ্টিৰ আয়ত্তলৈ আনিব পৰা নাই"। বৈখানসৰ আমন্ত্ৰণ ক্ৰমে দুষ্মন্তই কণ্বৰ আশ্ৰমত প্ৰৱেশ কৰি আশ্ৰমৰ শান্তিময় পৰি-বেশৰ কথা সাৰথিক কলে—"হে সাৰথি! কোনেও কৈ নিদিলেও এয়া যে তপোবনৰ প্ৰান্তভূমি সেয়া বেচ সুন্দৰকৈ পৰিলক্ষিত হৈছে। কিয়নো, তুমি নিশ্চয় দেখিছা যে তপোবনৰ কোনো ঠাইত যিবিলাক গছৰ কোটৰত শুকপক্ষী বাস কৰে সেই বিলাক গছৰ গুৰিত কোটৰৰ মুখৰ পৰা সৰি পৰা বন্যশস্য (উড়ীধান) পৰি আছে। কোনো ঠাইত ইঙ্গুদী ফল ভেদক প্ৰস্নিগ্ধ শিলাখণ্ড দেখা গৈছে, ক'ৰবাত আকৌ হৰিণ বিলাকে ক'ৰোপৰা ভয় নকৰি বিশ্বাসবশতঃ ৰথৰ শব্দ শুনিও পলা-য়ন কৰা নাই। চৌদিশে মাথো শান্তিময় পৰি-বেশ।" আশ্ৰমত প্ৰৱেশ কৰি দুষ্মন্তই দেখিছিল—"বাঃ কেনে মনোৰম দৃশ্য! সৌৱা তপস্বী-কন্যা সকলে নিজৰ অনুৰূপ মাটি কলহেৰে সৰু সৰু গছৰ গুৰিত পানী ঢালিবলৈ ধৰিছে। বাঃ কি ইহঁতৰ দৰ্শন! ৰাজ— অন্তঃপুৰতো দুৰ্লভ এনে সৌন্দৰ্য্য যদি তপোবন বাসিনীৰ হয় তেনেহলে সচাঁকৈয়ে কব লাগিব যে— অযত্ন পালিতা বন-লতাই নিজ গুণে সযত্ন লালিতা উদ্যান লতাকো পৰাজিত কৰিছে।" গছৰ আৰত লুকাই থকা ৰজা দুষ্মন্তৰ—গছৰ গুৰিত পানী দি থকা শকুন্তলা-অনসূয়া-প্ৰিয়ম্বদাৰ কথোপকথনৰ পৰা কণ্বৰ পালিতা কন্যা শকুন্তলাক চিনিব পাৰি তাইৰ সুকোমল দেহৰ সৌন্দৰ্য্যত মোহিত হৈ তাইৰ প্ৰতি সহানু-ভূতি আৰু সমবেদনাৰে অন্তৰ ভৰি পৰিল।

"ইদং কিলাব্যাজ মনোহৰং বপুস্তপক্ষমং সাধ-
য়িতুং যইচ্ছতি।
ধ্ৰুবং স নীলোৎপলপত্ৰধাৰয়া শমীলতাং ছেত্তু-
মৃষিৰ্ব্যবস্যতি ॥"

"এয়ে নেকি সেই-কণ্বদুহিতা শকুন্তলা? সেয়ে যদি হয়, তেন্তে পুজনীয় কাশ্যপদেৱে এওঁক কঠোৰ

আশ্ৰম ধৰ্ম্মত (গছত পানী দিয়া) নিযুক্ত কৰি চৰম অবিবেচনাৰ কাম কৰিছে। নিসৰ্গ সুন্দৰ এই দেহটিক যিয়ে তপস্যাৰ যোগা কৰি তুলিবলৈ অভিলাষ কৰে, নিশ্চয় তেওঁ কোমল নীলা পদুম পাতৰ ধাৰেৰে কঠিন শমী বৃক্ষ-চ্ছেদনৰ প্ৰয়াস কৰিছে।"

শকুন্তলা প্ৰকৃতিৰ আলসুৱা দুহিতা। জন্মৰ পিছত মেনকাই শকুন্তলাক প্ৰকৃতিৰ বুকুত অনাদৰ কৰি এৰি থৈ যায়। পিতৃ-মাতৃৰ অনাদৃত শকুন্তলা কণ্বৰ আশ্ৰয়ত প্ৰকৃতিৰ লালন-পালন দ্বাৰা সদ্য প্ৰস্ফুতিত গোলাপৰ দৰে প্ৰকৃতিৰ কোলাতেই নব-যৌৱনা হল। প্ৰকৃতিয়েই তাইৰ জননী। প্ৰকৃতিদেৱীৰ প্ৰতি সেয়ে শকুন্তলাৰ অপাৰ মৰম স্নেহ আৰু অপৰিসীম ভাল পোৱা বনজ্যোৎস্না, নবমল্লিকা, সেফালিকাদি গছ লতাৰ গুৰিত পানী নিদিয়াকৈ তাই নিজে এটুপী পানীও গ্ৰহন নকৰে। প্ৰিয়ম্বদাৰ প্ৰশ্নৰ উত্তৰত শকুন্তলাই কৈছিল— "ন কেৱলং তাত নিয়োগ এব, অস্তি মমাপি সোদৰ স্নেহ এতেষু।" কেৱল পিতৃ কন্নদেৱৰ আদেশতেই তাই গছ লতাৰ যত্ন লোৱা নাই, সেইবোৰৰ প্ৰতি তাইৰ অপাৰ ভগ্নীস্নেহো আছে। তাই নিজক পাহৰি যাব পাৰিলেওঁ তাইৰ অতি মৰমৰ নবমল্লিকাক পাহৰিব নোৱাৰে। নিজৰ সৌন্দৰ্য্য বৰ্দ্ধনৰ বাবে তাই কোনো দিন গছ লতাৰ পৰা এটি ফুল পাতো চিঙি অনা নাই। প্ৰকৃতিয়ে ফলে ফুলে সুশোভিত হোৱা দিন কেইটা হল তাইৰ উৎসৱ আনন্দৰ দিন। ঘাঁহ খাই ফুৰোতে মৃগ শিশুৰ মুখত কেনেবাকৈ দৰ্ভঘাঁহৰ আঘাটত সাধাৰণ ভাবে ঘা হলেও তাই নিজ হাতে সেই ঘাত ইঙ্গুদী তেলেৰে মালিচ কৰি দিয়ে। তাই নিজ হাতে বন্য শষ্য বুটলি আনি হৰিণ শিশুক খাবলৈ দিয়ে। শকুন্তলাই পদুম পাত আৰু পাতল গছৰ বাকলি পিন্ধি লাজ লগা যৌৱনৰ বৰ্দ্ধিতাৱয়ৱবোৰ আবৰি ৰাখিছিল। পদুম পাতেৰে যৌৱনৰ উঠণ বুকু আবৰি ৰখা আৰু গছৰ বাকলি পৰিধান কৰা শকুন্তলাৰ অপৰিসীম ৰূপ-সৌন্দৰ্য্য দেখি ৰূপ মুগ্ধ দুষ্যন্তই ভাবিবলৈ বাধ্য হৈছিল— "কামমননুৰূপমস্যা বপুষো বল্কলং ন পুনৰলংকাৰশ্ৰিয়ং ন পুষ্যতি। কুতঃ

সৰসিজমনুবিদ্ধং শৈবালনাপি ৰম্যং
মলিনমপি হিমাংশোলক্ষ্ম লক্ষ্মীং তনোতি।
ইয়মধিকমনোজ্ঞা বল্কলেনাপি তন্বী
কিমিব হি মধুৰাণাং মণ্ডনং নাকৃতি নাম্॥"

"যদিওঁ বল্কল বস্ত্ৰই এনে সুন্দৰ দেহৰ যোগ্য নহয়, তথাপি ইওঁযে অলঙ্কাৰৰ শোভাবৰ্দ্ধন কৰা নাই এনে নহয়। কিয়নো, শেলুৱৈয়ে আগুৰি থাকিলেও পদুম সদায় সুন্দৰ হৈয়ে থাকে আৰু চন্দ্ৰৰ কলঙ্ক মলিন হলেওঁ সেই কলঙ্কই চন্দ্ৰৰ সৌন্দৰ্য্য বিস্তাৰহে কৰে। এই ক্ষীণকায়ী শকুন্তলাকো বল্কল বস্ত্ৰ পৰিধান কৰা সত্বেওঁ অধিক সুন্দৰীহে দেখা গৈছে। কোনো বস্তুয়েই স্বভাৱ সুন্দৰীৰ অলঙ্কাৰ ৰূপে শোভা নবঢ়ায়।"

আনফালে শকুন্তলাৰ প্ৰতিওঁ প্ৰকৃতিদেৱীৰ অগাঢ় ভালপোৱা তথা মৰম-প্ৰীতি বিৰাজমান।

শকুন্তলাৰ বিদায় মুহূৰ্ত্তত প্ৰকৃতিৰ যি সকৰুণ প্ৰতিচ্ছবি আশ্ৰমৰ চৌদিশে ফুটি উঠিছিল সি অতি শোকাবহ, কণ্ঠৰোধহোৱা, হৃদয়বিদাৰক আন কথাত কবলৈ গলে অতি বেদনা দায়ক। আশ্ৰমৰ পৰা বিদায়লৈ পতিগৃহলৈ যাত্ৰা কৰি আগলৈ খোজ দি'ও কি নিদিওঁ কৈ অগ্ৰসৰ হোৱা শকু-

খুলাই দুখতে সখি প্ৰিয়ম্বদাক কলে—"সখি প্ৰিয়ম্বদা! যদিওঁ আৰ্য্যপুত্ৰ (দুষ্মন্ত) ৰ দৰ্শন-লাভৰ বাবে মন মোৰ অস্থিৰ হৈ পৰিছে, তথাপি চিৰদিনৰ বাবে এই তপোবন এৰি যাবলৈ ওলাইছো— এই কথা ভাবি অতি কষ্টেইহে চৰণ যুগল আগুৰাই গৈছে।" তাৰ সমিধানত চল-চলিয়া চকুৰে প্ৰিয়ম্বদাই মাথো কলে—"সখি শকুন্তলা! কেৱল মাথো তুমিয়ে যে আশ্ৰমৰ বিৰহত কাতৰা হৈছা এনে নহয়, তোমাৰ বিচ্ছেদ স্মৰণ কৰি তপোবনৰ আজি কি দুৰৱস্থা হৈছে এবাৰ চকুমেল চোৱা। সৌ চোৱা সখি! তোমাৰ বিৰহত কাতৰ হোৱা হৰিণী বোৰৰ মুখৰ পৰা আধা চোবোৱা ঘাঁহ মাটিত সৰি পৰিছে, ময়ূৰ বিলাকে নাচিবলৈ এৰি দিছে আৰু গছ লতা-বোৰে তোমাৰ বিদায়ত সেউজীয়া পাত সৰাই চকুলো টুকিছে।" শকুন্তলা আশ্ৰম এৰি চিৰদিনলৈ আঁতৰি যাব এই কথা জানি হৰিণ শিশুটিয়ে তাইৰ আচলত কামুৰি পথভেটি ধৰিছে। শকুন্তলাই তাক চুমা খাই উচুপি উচুপি কলে—"বৎস মই তোমালোকৰ সঙ্গ পৰিত্যাগ কৰি চিৰ দিনৰ বাবে যাবলৈ ওলাইছোঁ, মোৰ পিছে পিছে আহি কি লাভ হব? প্ৰসৱৰ পিছতেই তোৰ মাতৃবিয়োগ হলেও ময়ে তোক তুলি তালি ডাঙৰ কৰিছোঁ। এতিয়া মোৰ অবিহনে পিতাই তোৰ সকলো যত্ন লব। মোক বিদায় দে বাচা।" শকুন্তলাৰ বিৰহত অস্থিৰ হোৱা কণ্ঠই থোকা থকি মাতেৰে কলে—"বৎসে! পৰ্ণকুটীৰৰ সন্মুখত তুমি যিবোৰ উড়ীধানৰ বীজ সিচিছিলা সেইবোৰে আজি অঙ্কুৰ মেলিছে। যেতিয়াই কুটীৰৰ পিনে চাম তেতিয়াই সেইবোৰ দেখিবলৈ পাম। সেইবোৰ দেখাৰ পিছত কোন সত্তে মই তোমাক পাহৰি যাম।" যাবৰ সময়ত শকুন্তলাই তাইৰ অতি মৰমৰ নৱজ্যোৎস্না জুপি সাবটি ধৰি উচুপিবলৈ ধৰিলে—"নৱজ্যোৎস্নে! তুমি যদিও চূত বৃক্ষৰ লগত মিলিত হৈছা, তথাপি এইফালে থকা তোমাৰ শাখাবাহুৰে মোক প্ৰত্যালিঙ্গন কৰা। আজিৰ পৰা তোমালোকক এৰি চিৰ-দিনৰ বাবে বহুদূৰলৈ যাব ওলাইছো। মোৰ অবিহনে সখিহতে তোমাৰ সকলো দায়িত্ব গ্ৰহণ কৰিব। মোক আনন্দেৰে বিদায় দিয়া।"

শকুন্তলা আৰু প্ৰকৃতিৰ মাজত কোনো প্ৰভেদ নাই। প্ৰকৃতিয়ে যেন শকুন্তলা আৰু শকুন্তলাই যেন প্ৰকৃতি। মহাকবি কালিদাসে গম্ভীৰ মাৰ-ৱানুভূতিৰে শকুন্তলাক প্ৰকৃতিৰ মাজত স্থাপন কৰিবলৈ গৈ চৰম কৃতকাৰ্য্যতা লাভ কৰিছে। তেওঁৰ এই মহান চেষ্টাত অকনো ক্ষতি খুন আমাৰ চকুত নপৰে। আনকি গাভিনী হৰিণী জনীয়ে যে দেহৰ ভৰত দুৰ্বল গৈ ভাল ঘাঁহ খাব নোৱাৰে, তাইৰ ভাল যত্ন লব লাগে—এই কথাওঁ শকুন্তলাৰ মুখেৰে পিতৃ কণ্বক অনুৰোধ কৰাবলৈ মহাকবিয়ে পাহৰি যোৱা নাই। সঁচা-কৈয়ে 'শকুন্তলাত' এনে সুন্দৰ আৰু অনুপম প্ৰকৃতিৰ চিত্ৰ অঙ্কিত কৰিছে যে ভাবিলে অতি আচৰিত লাগে। পতিগৃহ যাত্ৰাত শকুন্তলাক বিদায় দিবলৈ সৰ্ব্বপ্ৰথমে প্ৰকৃতি দেৱীবহে অনুমতি বিচৰা হৈছে—

পাতুং ন প্ৰথমং ব্যৱস্যতি জলং যুষ্মাস্বপীতেষু যা
নাদত্তে প্ৰিয়মণ্ডনাপি ভবতাং স্নেহেন যা পল্লবম্।
আদ্যে বঃ কুসুম-প্ৰসূতি সময়ে যস্যা ভবতুৎসবঃ
সেয়ং যাতি শকুন্তলা পতি গৃহং সৰ্ব্বৈৰনুজ্ঞায়তাম্।

"হে সন্নিহিত তৰুগণ, তোমালোকৰ গুৰিত পানী নিদিয়াকৈ যিয়ে এটুপি পানীও গ্ৰহণ নকৰে, ভূষণ প্ৰিয়া হৈয়ো স্নেহ বশতঃ যিয়ে তোমালোকৰ এটি পাত বা এটি ফুলো নিচিঙে, তোমালোকৰ কুসুম প্ৰসবৰ সময়ত যাৰ আনন্দৰ সীমা নোহোৱা হয়, আজি সেই প্ৰকৃতি কন্যা শকুন্তলা পতিগৃহলৈ যাত্ৰা কৰিছে; তোমালোক সকলোৱে আনন্দমনে অনুমতি দিয়া।"

মহাকবি কালিদাসৰ প্ৰকৃতি বৰ্ণনা সম্বন্ধে আলোচনা কৰিবলৈ ললে তেওঁৰ কাব্য সমূহৰ— শ্ৰব্য কাব্যই হওঁক বা দৃশ্য কাব্যই হওঁক এখনো বাদ দিব নোৱাৰি। কম বেছি পৰিমাণে তেওঁৰ প্ৰত্যেকখন কাব্যতে প্ৰকৃতিৰ অনুপম ৰূপ সৌন্দৰ্য্যৰ মনোৰঞ্জক বৰ্ণনা পোৱা যায়। ৰঘুবংশ আৰু শকুন্তলাৰ দৰে কুমাৰ সম্ভৱ, ঋতুসংহাৰ আৰু মেঘদূততো প্ৰাকৃতিক দৃশ্যৰ অবৰ্ণণীয় চিত্ৰৰ প্ৰতিচ্ছবি সুনিপুন ভাবে অঙ্কিত কৰিছে। কুমাৰসম্ভৱ মহাকবিৰ দ্বিতীয় বিখ্যাত মহাকাব্য। ইয়াৰ আৰম্ভনীতে "অস্তি উত্তৰস্যাং দিশি দেবতাত্মা হিমালয়ো নাম নগাধিৰাজঃ" বুলি ভাৰতৰ উত্তৰ-সীমাত অবস্থিত গগনস্পৰ্শী মহাবাহু নগাধিৰাজ হিমালয়ৰ যি সুন্দৰ বৰ্ণনা দিছে সি অতি মনোৰম। তাৰোপৰি ইয়াত বৰ্ণিত অলকাপুৰী আৰু বসন্ত বৰ্ণনাও কোনো গুণে হীন নহয়। কামদেৱে (মদন) যেতিয়া প্ৰিয়তমা ৰতি আৰু প্ৰিয় সখা বসন্তৰ সৈতে অৰবিন্দ—অশোকাদি পঞ্চপুষ্প—কামবাণসমন্বিত ধনুহস্তে সতীৰ চিন্তাত ধ্যানমগ্ন মহাযোগী মহাদেব থকা হিমালয়ৰ পাদোদেশত উপস্থিত হয়, তেতিয়া বসন্তৰ প্ৰভাৱত গোটেই বনাঞ্চলতে এক অভূতপূৰ্ব্ব পৰিবৰ্ত্তন দেখা দিয়ে। গছে লতাই নতুন পাত-ফুল ফলেৰে সুশোভিত হৈ পৰে। আনকি তত্ৰবাসী চৰাই চিৰিকতি, পশু-পক্ষীৰ মনলৈও এনে অকাল বসন্তই এক অনিৰ্ব্বচনীয় আনন্দৰ হিল্লোল আনি দিয়ে। এনে ধৰণৰ সুন্দৰ প্ৰাকৃতিক বৰ্ণনাই কুমাৰসম্ভৱক অতি মনোগ্ৰাহী কৰি তুলিছে। ঋতুসংহাৰ নানা দৃশ্যলীলাৰে পৰিপূৰ্ণ এখনি খণ্ডকাব্য। ইয়াতো মহাকবিয়ে ছয় ঋতুৰ বৰ্ণনা অতি চিত্তৰঞ্জক কবিত্বময়ী ভাষাৰে পাঠকৰ আগত প্ৰতিভাত কৰিছে। বাৰমাহৰ দুই দুই মাহ লৈ সম্পূৰ্ণভাৱে পৃথক সম্পদেৰে সুসম্পন্ন ছয়টি ঋতুৰ আৱিৰ্ভাৱ ও বিকাশ ভাৰতবৰ্ষৰ বাহিৰে অইন ক'তো নাই। কালিদাস ভাৰতৰ তথা ভাৰত-বিলাসিনী নিসৰ্গ-সুন্দৰীৰ প্ৰিয় সেবক আৰু অপ্ৰতিদ্বন্দ্বী চিত্ৰকৰ। সেয়ে তেওঁ—ভাৰতৰ নিজস্ব, একেবাৰে খাঁটি-স্বভাৱৰ মোহন-মদিৰাত আত্মহাৰা হৈ কল্পনাৰ বীণাৰে 'ঋতুসংহাৰ'ত স্বভাৱ সুললিত সঙ্গীতৰ সুমধুৰ সুৰ বজাইছে। ঋতুসংহাৰ প্ৰকৃতিৰ অনুপম চিত্ৰাঙ্কন। যি সময়ত, প্ৰণয় বাদ দি, ভালপোৱা এৰি আৰু একোতেই ভাল নালাগে, ই কবিৰ সেই কোটি-কল্প-স্পৃহনীয় নবীন বয়সৰ গান। কোন ঋতুত ভোগীৰ, কামীৰ, প্ৰণয়ীৰ— কি কি বস্তু ভাল লাগে, প্ৰিয়তমাই কি কি উপচাৰেৰে তাইৰ হৃদয় দেবতাৰ অৰ্চ্চনা কৰি কৃতাৰ্থ হয় আৰু কৃতাৰ্থ কৰে, "ঋতুসংহাৰ"— তাৰেই ফৰ্দ্দমালা।

সেই দৰে মেঘদূত। মেঘদূত মহাকবিৰ অমৰ কাব্য। মেঘদূতৰ কথা ভাবিলে প্ৰথমতে বিৰহী যক্ষৰ কথা মনলৈ আহে। যি যক্ষৰ এদিন সকলো সুখ, সকলো সম্পদ আছিল, যি অভি-লাষেই নহওঁক কিয় কোনো দিন অপূৰ্ণ হোৱা

াছিল, সুখৰ সন্মোহনাঞ্চলত এদিন যিয়ে নিদ্রা-ভিভূত হৈছিল, আজি সেই যক্ষৰ কি দশা ! সি আজি তৰু লতা, পশু পক্ষী সকলোৰে কৃপা-প্ৰাৰ্থী । যক্ষৰ শোচনীয় দশাদৰ্শনত সকলো মৰ্ম্মা-হত । প্ৰকৃতি জগত আজি— আনন্দ পৰিহাৰ কৰি দুৰ্গত যক্ষৰ সমবেদনাত আকুল । নদ-নদী গিৰি অৰণ্য, গ্ৰাম নগৰ ৰাজধানী, তৰু-লতা পত্ৰ পুষ্প সকলোৰে বিৰহী যক্ষৰ বিৰহ প্ৰতপ্ত হৃদয় শীতল কৰিবলৈ সমুৎসুক । সেয়ে, মেঘ যেতিয়া ৰামগিৰিৰ পৰা অলকালৈ উৰি আহে, তেতিয়া এই সকলোৰে প্ৰাণ দিও যক্ষৰ সেই মেঘদূতৰ সেৱা কৰে ।

মেঘদূত প্ৰকৃতিৰ দাপোণ । এই দাপোণত সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰাকৃতিক দৃশ্যাৱলীৰ অনুপম প্ৰতিবিম্ব সমুদ্ভাসিত হৈছে । কালিদাসে, মেঘ-দূত কাব্যৰ 'পূৰ্বমেঘ'ত ৰামগিৰিৰ পৰা অলকা পুৰী পৰ্য্যন্ত এই সুদীৰ্ঘ পথৰ যি সুন্দৰ বৰ্ণনা কৰিছে পথৰ পাৰ্শ্ববৰ্ত্তী নদ নদী গিৰি বন-উপবন পথ ৰাজধানী প্ৰভৃতিৰ যি অনুপম চিত্ৰ অঙ্কিত কৰিছে সেই কথা ভাবিলে বিস্মিত হব লাগে । আকৌ 'উত্তৰমেঘ'ত কবিৰ অতি প্ৰিয় উজ্জয়িনীৰ যি বৰ্ণ-নাতীত চিত্ৰৰ বৰ্ণনা কৰিছে সেয়া পঠনকালত ধাৰণা হয়— যেন কালিদাসৰ সময়ৰ সেই উজ্জ-য়িনীতহে উপস্থিত হলোঁ আৰু তত্ৰস্থ সমস্ত বস্তুই যেন দেখিবলৈ পাইছো, শিপ্ৰা নদীৰ স্নিগ্ধ মৃদু সমীৰণে যেন দেহ মন জুৰ পেলাইছে । সংক্ষে-পতে কবলৈ গলে কালিদাসৰ মেঘদূত ভাৰত বৰ্ষৰ বিচিত্ৰ মানচিত্ৰ । ভাৰতবৰ্ষৰ মানচিত্ৰত আমি যি বিলাক স্থানৰ কেৱল নামটোহে দেখা পাও, কালিদাসৰ এই বিচিত্ৰ মানচিত্ৰত সেই সকলো বিলাক স্থানৰ আমি প্ৰকৃত স্বৰূপ সৌন্দৰ্য্য উপলব্ধি কৰিব পাৰো । অথবা মেঘদূত যেন, ভাৰতৰ বিশাল ভূভাগৰ এখনি বিৰাট প্ৰতিকৃতি । এই বিশাল ভূভাগৰ যি ঠাইত যি বস্তু যি ভাবে আছে, সেয়া ঠিক সেই ভাবেই এই প্ৰতিকৃতিত প্ৰতিফলিত হৈছে । কোনো ঠাইত ময়ূৰে পেখম মেলি নাচিছে, কৰবাত নদীৰ সুনীল বক্ষত মাছ জপিয়াইছে, কোনো ৰাজপথত ত্ৰাস চঞ্চলা অভি-সাৰিকাগনৰ কোচৰ পৰা ফুলৰ মালা স্খলিত হৈ পৰি আছে-এই সমস্ত এই প্ৰতিকৃতিত চিত্ৰিত হৈছে ।

কবিকুলপতি মহাকবি কালিদাসে তেওঁৰ ভাব-ময়ী, উচ্ছাসময়ী আৰু আবেগময়ী কল্পনাৰ বলত তেওঁৰ প্ৰত্যেকখন কাব্যতেই প্ৰকৃতিৰ যি চিত্ৰ অঙ্কিত কৰিছে সেয়া সঁচাকৈয়ে অবাঙ মনঃগোচৰ । এই ক্ষেত্ৰত তেওঁৰ সমকক্ষ কবি ভাৰতবৰ্ষ তথা পৃথিবীতে বিৰল ।

সৰ্ববশেষত পশ্চিমীয়া পণ্ডিত সকলৰ ভাষাৰে কব পাৰি যে—

'Kalidasa's knowledge of nature was not only accurate but also sympathetic. His observation was wedded to imagination. His descriptions illustrate his human heart and appreciation of natural beauty.

No man can reach his full stature until he realises the dignity and worth of life that is not human. We must develop sympathy with all forms of life. The world is not made only for man."

—x—



# মোৰ পৰ্ব্বত আৰোহণ প্ৰশিক্ষণৰ অভিজ্ঞতা

শ্ৰী ফণীন্দ্ৰ নাথ গগৈ
তৃতীয় বাৰ্ষিক, বিজ্ঞান

"1970 has been the most hectic year for mountaineering in India. A large number of expeditions from India as well as from a host of other countries went to Himalayas. Some of these achieved brilliant successes whereas others returned disappointed due to unusually adverse weather conditions. But all enjoyed the thrill of adventure and challenge. There were some major mishaps in which many lost their lives."

'The Cadet'
Vol— 21

সৰ্বাঙ্গত স্পন্দন জগাই তোলা তেজ তেজ লগা ওপৰৰ কথা ফাঁকি হঠাতে মোৰ জীৱনলৈও এদিন পাহাৰ বগোৱা মানুহৰ অসীম সাহসৰ বাতৰি লৈ আহিল। বৰ্ত্তমান জগতত পৰ্ব্বত আৰোহণৰ বিষয়লৈ যি জাগৰণ আবিৰ্ভাৱ হৈছে তাক অলপতে 'বেথাৰতলী শিখৰ' আৰোহণ কাৰী সকলৰ পৰাই অসমত বিশেষ ভাবে বিস্তাৰিত হৈ পৰিছে। বৰ্ত্তমান যুগত প্ৰকৃতিৰ লগত সমানে ফেৰ মাৰিবলৈ মানুহ যিমান আগবাঢ়িছে সেইদৰে ঘাট-প্ৰতিঘাত অতিক্ৰম কৰিও জয়যুক্ত হোৱা পৰিলক্ষিত হৈছে। পৰ্ব্বত আৰোহণৰ বুৰঞ্জীৰ পাত লুটিয়ালেই ইয়াক আমি ভালদৰে বুজি পাওঁ।

এই পৰ্ব্বত আৰোহণৰ বাবে মোৰ একান্ত আগ্ৰহ বাঢ়িছিল। "বৰফ পৰ্ব্বত" দেখিবলৈ আৰু "বগাবলৈ" পাম বুলি। অসীম আনন্দ আৰু উদ্দীপনাৰে ২৪ ছেপ্তেম্বৰৰ দিনা হিমাচল প্ৰদেশৰ 'মনালী' পৰ্ব্বত আৰোহণ প্ৰশিক্ষণ কেন্দ্ৰ অভিমুখে ৰাওনা হলো।

উচিত সময়তকৈ এদিন আগতে আমাৰ প্ৰশিক্ষণ কেন্দ্ৰটো পালোগৈ। ঠাইখন ওথ বাবে ভীষণ ঠাণ্ডা লাগিছিল। ৰাতিপুৱা শুই উঠি যিটো দৃশ্য দেখিলো তাক নিজেই নেদেখিলে বৰ্ণাব নোৱাৰি। বৰফ পৰ্ব্বতৰ চকমকীয়া জলমলাই থকা শুধ বগা দৃশ্যটো কিমান ভাল লগা তাক সঁচাই কোৱা টান। ইমান ওচৰতে সৌন্দৰ্য্য বিৰাজমান পৰ্ব্বত শিখৰ বোৰ দেখি মোৰ তেতিয়াই যাম যাম লাগিছিল। মোৰেই বুলি কলে ভুল হব হয়তো, যিজনেই নতুনকৈ এই নগৰলৈ আহে তেওঁৰ মুখতো সেই একেই কথা। এই হিমালয়ৰ 'মনালী'খন সঁচাই সৌন্দৰ্য্যৰ ৰাণী। কল্ কল্ কৈ বৈ থকা ব্যাসনৈৰ অতুলনীয় সৌন্দৰ্য্য, শাৰী শাৰী সৰল গছৰ লাজুকীয়া চাঁৱনী আৰু কপাহৰ দৰে দ'ম হৈ থকা বৰফ পৰ্ব্বতৰ হাত বাউলী বোৰে সঁচাই এক কল্পনাতীত মনোৰম দৃশ্যৰ সংঘাট মিলাইছে।

মই দিনৰ ১০ মান বজাত কেন্দ্ৰৰ ডিৰেক্টৰ জনক লগ কৰিলো। তেখেতক বেচ ভাল লাগিল। প্ৰথম চিনাকিতে তেখেতৰ ব্যক্তিত্ব (personality) কিমান মধুৰ ধৰিব পাৰি। বেচ ভদ্ৰতাৰে তেখেতে মোৰ লগত কথা পাতে আৰু অসমৰ N. C. C. ক প্ৰশংসা কৰে যিহেতুকে বহুত আগতীয়াকৈ মোৰ বাবে পঠিওৱা টকা পায়।

পহিলা অক্টোবৰৰ দিনা পুৱা ন বজাত আমি সকলো বোৰ প্ৰশিক্ষণাৰ্থী একগোট হলো। মোৰ বিশেষকৈ ভাল লাগিছিল ১৯৭০ চনৰ সৰ্ব্বভাৰতীয় ভিত্তিত প্ৰথম হোৱা কেডেট শ্ৰীমনমোহন থাপাৰ নামৰ ল'ৰাজনক লগ পায়। আৰু দুজন ভাল বন্ধু পাইছিলো তেওঁলোক হ'ল বিহাৰৰ বেষ্ট কেডেট ৰবীন্দ্ৰকুমাৰ সিং আৰু দিল্লীৰ পৰা যোৱা অশোক অৰোৰা। আৰম্ভণিৰ পৰাই আমি চাৰিটা এটা বলিষ্ঠ দললৈ পৰিবৰ্ত্তিত হৈছিলো।

সেই দিনা আবেলিৰ পৰাই আমাৰ ক্লাচ আৰম্ভ হৈছিল। শিক্ষা মুকলি কৰি ডিৰেক্টৰে আমাক পৰ্ব্বত আৰু তাৰ শিকাৰ বিষয়ে দুঘণ্টা জুৰি কয় "এজন ভাল পৰ্ব্বত আৰোহণ কাৰী হবলৈ হলে কিছুমান গুণৰ আৱশ্যক — যেনে— 'অসীম সাহস, ধৈৰ্য্য, কষ্ট সহিষ্ণুতা' মৃদুভাষীতা, চিন্তাশাল আৰু উপস্থিত বুদ্ধিৰ গুণ খিনি থাকিব লগিব।" তেখেতে খুহুতীয়া ভাষাৰে পুনৰ কয়—পৰ্ব্বত "আৰোহণকাৰী সকলৰ এটা বাহিক গুণ থকা উচিত যে তেওঁ ভীষণ 'লেতেৰা হব লাগিব।" যদিও তেখেতে খুহুঁতিয়া

এবিয়ান

ভাষাৰে কথাটো কৈছিল কিন্তু সঁচাই ভাবিব লগীয়া আছিল; পিচতহে আমি গম পাইছিলো। তেখেতৰ মিঠা মিঠা কথা বোৰত আমি বেচ আমোদ পাই-ছিলো।

আমাৰ প্ৰথম সপ্তাহৰ ট্ৰেনিঙৰ ভিতৰত আছিল উশাস নিশাহ বৰ বেচি সময়লৈকে ৰাখিব পৰাটো। পাহাৰ বগোৱা আৰু শিল বগোৱাৰ পৰা নমি আহোঁতে এই বিলাকত আমি প্ৰথম দুদিন বৰ কষ্ট কৰিব লগীয়া হৈছিল। ৪॥ বজাত পুৱাৰ কুঁৱলী ফালি ১২ কিলোমিটাৰ দৌৰিব লগা হৈছিল। পিঠিত বোজালৈ প্ৰায় ১১ হাজাৰ ফুট অৰ্থাৎ সেই ঠাইৰ পৰা ৪ হাজাৰ ফুট উঠিব লগা হৈছিল। আৰু শিল বগোৱা ৫০, ৬০ ফুট আৰু নামিবৰ সময়ত ১০০ ফুট ওপৰৰ পৰা বিভিন্ন পদ্ধতিৰে নমোৱা শিকাইছিল। এই বিলাকত আমাৰ বহুতো ধৈৰ্য্যৰ দৰকাৰ হৈছিল। যেতিয়া মাজ শিলৰ ওপৰৰ পৰা ৫', ৬', ফুট খহি আহো আঠুৰ আৰু হাতৰ ছাল এৰাই গৈছিল। আনহাতে হাতৰ যোৰ হেৰাই যোৱাত বহুতো বিপদৰ সন্মুখিন হোৱাও দেখা গৈছিল আমাৰ মাজত। কিন্তু 'বিলে' অৰ্থাৎ ককা-লত লগাই থোৱা ৰছি টানি সহায় কৰাতহে আমি ৫০, ৬০ ফুট ঠিয় ওখ শিল বগাই আহিবলৈ সমৰ্থন হলো। এনে বিলাক ট্ৰেনিং শেষ কৰি ৬ অক্টোবৰৰ দিনা আমি আমাৰ কেম্প এৰি বৰফ পৰ্ব্বতলৈ ওলাওঁ, আমাৰ ইনষ্টি-টিউটৰ পৰা 'বেচ কেম্প' লৈ ৫০ কিলো মিটাৰবো বেচিআছিল। চাৰি দিনৰ ট্ৰেনিংৰে আমি আমাৰ বেচ কেম্প "ব্যাসকুণ্ড" (১৩০০০ ফুট) য'ৰ পৰা ব্যাস নৈৰ সৃষ্টি হৈছে সেই ঠাইত উপনিত হওঁ। অৱশ্যে মাজতে দুৰাতি 'ধুন্দি' নামৰ পৰ্ব্বতৰ মাজ ভাগ প্ৰায় ১০ হাজাৰ উচ্চতাত কেম্প কৰি গৈছিলো। কেন্দ্ৰৰ পৰা 'ব্যাসকুণ্ড' ৰ যাত্ৰাটো যে কিমান কষ্ট কৰ আছিল তাক ভাবিলে এতিয়াও ভয় লাগে। কাৰণ পিঠিত প্ৰায় এমোন এক কিঃ গ্ৰাঃ ৰ ওজন ৰুকচক ( Rucksack )ত য'ত আমাৰ প্ৰয়োজনীয় বস্তু যেনে— এয়াৰ মেটাৰ, স্লিপিং বেগ, ক্ৰেমপন, পিন্ধা পোচাক আৰু খোৱা বস্তু আদিৰ বাহিৰেও অন্য কিবা কিবি বহুতো লোৱা হৈছিল। আন হাতে ভৰিত পাঁচ কিলো ওজনৰ ক্লাইমবিং বুট হাতত বৰফ কুঠাৰ আদি লৈ খোজ কাঢ়ি কাঢ়ি যোৱাটো কিমান কষ্টকৰ দেখিলে দুখ ও বেজাৰ লাগে। প্ৰায় এক ফাৰ্লং মান গৈয়ে সকলোবোৰ শুই শুই পৰিছিল পেকেট লান্চ ও আমি কেইজন মানে সেনকালে খাই পেলোৱাত পিছৰ ফালে আমাৰ বেজাৰৰ সীমা নাইকিয়া অৱস্থা হৈছিল। তথাপিতো আমি হতাশ হোৱা নাছিলো -এই কাৰণেই যে পৰ্ব্বত আৰোহণকাৰী সকল কষ্ট সহিষ্ণু হোৱা উচিত। ইমান বিলাক কষ্টৰ মাজতো ৰবীন্দ্ৰ আৰু অশোকে বেচ জমাই থকাত আমাৰ দুখ বেজাৰ পাতলি গৈছিল।

৯ তাৰিখে আমি Base Camp ব্যাস কুণ্ড পালোগৈ। মাজ বাটৰ পৰাই আমি ভীষণ ঠাণ্ডা অনুভৱ কৰিছিলো, আমি গৈ পোৱাৰ এঘণ্টামানৰ পিচতে হঠাৎ বতৰ ডাৱৰীয়া হৈ আহিল। অৱশ্যে বত ডাৱৰীয়া কৰিছিল নে বৰফ কুঁৱলীয়ে বেলিটো ঢাকি ৰাখিছিল আমি ধৰিব নোৱাৰিলো। কাৰণ ঘন ঘন বৰফৰ টোপালবোৰ আমাৰ গাৰ ওপৰত পৰিছিল। আমি স্ফুৰ্ত্তিত খেলিবলৈ আৰম্ভ কৰি দিলোঁ। কিন্তু আমাৰ শাসন বিভাগৰ শিক্ষক জনে মানা কৰাত তম্বুৰ ভিতৰত আমি সোমাই